## বিনিয়োগকাৰীসকলৰ প্ৰতি একাষাৰ চিকিওৰিটিজৰ ইচ্যু সংক্ৰান্তত

**কৰণীয়**

- ✓ প্ৰস্পেক্টাচ/সংক্ষিপ্ত প্ৰস্পেক্টাচ পঢ়ি লব আৰু সাৱধানে মন কৰিব :
  - ✓ ইচ্যু সম্বন্ধীয় বিপদাশঙ্কাৰ কাৰকসমূহ।
  - ✓ অমীমাংসিত মোকৰ্দমা আৰু পৰিশোধ অক্ষমতা, যদি আছে।
  - ✓ ইচ্যু উলিয়াওঁতাৰ আৰ্থিক দিশ।
  - ✓ ইচ্যুৰ লক্ষ্য।
  - ✓ কোম্পানীৰ ইতিবৃত্ত।
  - ✓ প্ৰমোটাৰসকলৰ অভিজ্ঞতা আৰু অন্যান্য দিশ।
  - ✓ আবেদন কৰাৰ পূৰ্বৰ নিৰ্দেশসমূহ।
- ✓ কোনো সন্দেহ/সমস্যাৰ ক্ষেত্ৰত, অফাৰ ডকুমেন্টত নাম দিয়া কমপ্লায়েঞ্চ অফিচাৰৰ সৈতে যোগাযোগ কৰিব।
- ✓ যদিহে আপুনি কাগজৰ ৰূপত চাৰ্টিফিকেট/ডিমেট একাউন্টত ক্ৰেডিট নাপায় বা আবেদনৰ ধন ঘূৰাই নাপায়, অফাৰ ডকুমেন্টত উল্লেখিত অনুয়াযী ইচ্যুকাৰী কোম্পানীৰ কমপ্লায়েঞ্চ অফিচাৰ আৰু ইচ্যু-পৰবৰ্তী মুখ্য মেনেজাৰৰ ওচৰত অভিযোগ দাখিল কৰিব।

**অকৰণীয়**

- ✗ বজাৰৰ উৰাবাতৰিৰ প্ৰতি কাণসাৰ নিদিব।
- ✗ ইচ্যুকৰ্তা বা আন কোনোৱে দিয়া যিকোনো সুস্পষ্ট/অস্পষ্ট প্ৰতিশ্ৰুতিৰ দ্বাৰা পৰিচালিত নহব।
- ✗ শ্বেয়াৰ বজাৰৰ সূচক/একে উদ্যোগৰ আন কোম্পানীৰ/ইচ্যুকৰ্তা কোম্পানীৰ স্ক্ৰিপ্‌চৰ উত্তৰোত্তৰ বৃদ্ধিৰ ভিত্তিত বিনিয়োগ নকৰিব।
- ✗ ইচ্যুকৰ্তা কোম্পানীৰ শ্বেয়াৰৰ দাম কম সময়ৰ ভিতৰতে বাঢ়ি যাব এনে ভাৰসা নকৰিব।

## বিনিয়োগকাৰীসকলৰ প্ৰতি একাষাৰ কলেক্টিভ ইনভেষ্টমেন্ট স্কীম (চিআইএচ) সংক্ৰান্তত

**কৰণীয়**

- ✓ বিনিয়োগ কৰাৰ আগেয়ে নিশ্চিত হৈ লব যাতে গোটটো চেবি-ৰ সৈতে পঞ্জীভুক্ত হৈ আছে।
- ✓ যোজনাখনৰ অফাৰ ডকুমেন্ট, বিশেষকৈ বিপদাশঙ্কাৰ কাৰকসমূহ মনোযোগ দি পঢ়ি লব।
- ✓ প্ৰকল্পটো চলাৰ সম্ভাৱনা আছে নাই পৰীক্ষা কৰি চাব।
- ✓ প্ৰমোটাৰসকলৰ অভিজ্ঞতা/বিশেষ জ্ঞান পৰীক্ষা কৰিব আৰু তাৰ সত্যতা প্ৰতিপন্ন কৰিব।
- ✓ গোটটোৰ সম্পত্তি/সম্পদৰ দলিল যে নিখুঁত আৰু বিপণনযোগ্য সেই বিষয়ে নিশ্চিত হব।
- ✓ যোজনাখনৰ পৰিচালনাৰ বাবে কলেক্টিভ ইনভেষ্টমেন্ট মেনেজমেন্ট কোম্পানী (চিআইএমচি)-টোৰ আৱশ্যকীয় অৱঃগাঁথনি যে আছে সেই বিষয়ে নিশ্চিত হব।
- ✓ যোজনাখনৰ ক্ৰেডিট ৰেটিং আৰু সেই ৰেটিঙৰ চৰ্ত বা সময়চোৱা চাই লব।
- ✓ যোজনাখনৰ মূল্যাঙ্কন পৰীক্ষা কৰিব আৰু মূল্যাঙ্কনৰ চমু প্ৰতিবেদন পঢ়ি চাব।
- ✓ যোজনাখনৰ লক্ষ্য মনোযোগ দি পঢ়ি চাব।
- ✓ অফাৰ ডকুমেন্টত উল্লেখিত আগৰ যোজনাসমূহৰ প্ৰতিশ্ৰুতিৰ বিপৰীতে কাৰ্যনিপুণতা তুলনা কৰি চাই-চিতি লব।
- ✓ চাব যাতে বিত্তীয় বছৰৰ সমাপ্তিৰ দুমাহৰ ভিতৰতে চিআইএমচি-য়ে বাৰ্ষিক প্ৰতিবেদনৰ প্ৰতিলিপি দাখিল কৰে।
- ✓ মন কৰিব যে চেবি-য়ে বিনিয়োগকাৰীলৈ ধন ঘূৰাই দিয়াৰ গেৰান্টী নিদিয়ে বা দায়িত্ব নলয়।

**অকৰণীয়**

- ✗ এনে চিআইএচ গোটত বিনিয়োগ নকৰিব যি চেবি-ত পঞ্জীভুক্ত নহয়।
- ✗ প্ৰতীকাত্মক ফিৰৎলাভৰ দ্বাৰা প্ৰলোভিত নহব।
- ✗ বজাৰৰ উৰাবাতৰিৰ ভিত্তিত বিনিয়োগ নকৰিব।

## বিনিয়োগকাৰীসকলৰ প্ৰতি একাষাৰ ডিৰাইভেটিভ্‌চত বিনিয়োগ সংক্ৰান্তত

**কৰণীয়**

- ✓ এক্সচেঞ্জে বান্ধি দিয়া সকলো নিয়ম, বিনিয়ম, উপবিধি আৰু ইয়াৰ দ্বাৰা ব্যক্ত তথ্য ভালদৰে চালিজাৰি চাব।
- ✓ চেবি-ৰ সৈতে পঞ্জীভুক্ত ট্ৰেডিং মেম্বাৰ (টিএম)-ৰ জৰিয়তেহে অথবা এক্সচেঞ্জৰ সৈতে পঞ্জীভুক্ত টিএম-ৰ অনুমোদিত ব্যক্তিৰ জৰিয়তেহে কেৱল বেচা-কিনা কৰিব।
- ✓ অনুমোদিত ব্যক্তিৰ সৈতে লেনদেন কৰাৰ সময়ত, নিশ্চিত কৰিব যাতে কন্ট্ৰেক্ট নোট কেৱল অনুমোদিত ব্যক্তিজনৰ টিএম-ৰ দ্বাৰাহে জাৰি কৰা হয়।
- ✓ অনুমোদিত ব্যক্তিবিশেষৰ সৈতে লেনদেন কৰাৰ সময়ত, দালালি/পে’মেন্ট/মাৰ্জিন আদি কেৱল টিএম-কহে দিব।
- ✓ নিশ্চিত কৰিব যাতে সম্পন্ন কৰা প্ৰত্যেকটো লেনদেনৰ বাবে আপোনাৰ টিএম-ৰ পৰা যথাবিহিত স্বাক্ষৰিত কন্ট্ৰেক্ট নোট আপুনি প্ৰাপ্ত কৰে য’ত আপোনাৰ অনন্য ক্লায়েন্ট-আইডি-ৰ সৈতে লেনদেনৰ বিতং বিৱৰণ বিশেষভাবে উল্লেখ থাকিব।
- ✓ মাৰ্জিনৰ বাবদ ট্ৰেডিং মেম্বাৰ (টিএম)-ৰ ওচৰত জমা দিয়া কলেটাৰেলৰ বাবে ৰচিদ লব।
- ✓ ক্লায়েন্ট-ট্ৰেডিং মেম্বাৰ এগ্ৰিমেন্টৰ বিতং বিৱৰণ ভালদৰে পঢ়ি চাব।
- ✓ আপোনাৰ অধিকাৰ আৰু কৰ্তব্য আৰু লগতে টিএম/ক্লিয়েৰিং মেম্বাৰৰো অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে জানি লব।
- ✓ শ্বেয়াৰ বজাৰত আপোনাৰ স্থিতি আৰু ইয়াৰ মাৰ্জিনৰ সৈতে জড়িত বিপদাশঙ্কা সম্পৰ্কে অৱগত হব।
- ✓ আপোনাৰ ট্ৰেডিং মেম্বাৰৰ পৰা/মেম্বাৰক দৈনিক ভিত্তিত আপোনাৰ ফিউচাৰ্চৰ স্থিতিৰ মাৰ্কেট মাৰ্জিনৰ বাবে মাৰ্ক সংগ্ৰহ কৰিব/আদায় দিব।

**অকৰণীয়**

- ✗ বিপদাশঙ্কা প্ৰকট কৰা (ৰিস্ক ডিচক্ল’জাৰ) ডকুমেন্ট পঢ়াৰ আৰু বুজি পোৱাৰ আগতে লেনদেন কৰিবলৈ আৰম্ভ নকৰিব।
- ✗ কোনো যোজনাৰ সৈতে জড়িত বিপদাশঙ্কা আৰু লাভৰ বিষয়ে নজনাকৈ, তেনে যোজনাৰ সৈতে লেনদেন নকৰিব।

## বিনিয়োগকাৰীসকলৰ প্ৰতি একাষাৰ দালাল আৰু উপ-দালালৰ সৈতে লেনদেন সংক্ৰান্তত

**কৰণীয়**

- ✓ চেবি পঞ্জীভুক্ত মধ্যস্থতাকাৰীৰ সৈতেহে কেৱল লেনদেন কৰিব।
- ✓ নিশ্চিত হব যাতে মধ্যস্থতাকাৰীৰ বৈধ পঞ্জীয়ন প্ৰমাণপত্ৰ আছে।
- ✓ নিশ্চিত হব যাতে শ্বেয়াৰ বজাৰত লেনদেন কৰাৰ বাবে মধ্যস্থতাকাৰীৰ অনুমতি আছে।
- ✓ আপোনাৰ হৈ কোনে নিৰ্দেশ দিব সেই কথা স্পষ্টকৈ উল্লেখ কৰিব।
- ✓ কাম আৰম্ভ কৰাৰ আগতে মধ্যস্থতাকাৰীয়ে যাতে মক্কেল পঞ্জীয়ন প্ৰপত্ৰত চহী কৰে সেই বিষয়ত নজৰ দিব।
- ✓ চৰ্ত আৰু নিয়ম স্পষ্টকৈ বান্ধি লৈ আপোনাৰ দালাল বা উপ-দালালৰ সৈতে চুক্তি কৰি লব।
- ✓ প্ৰতি দিনে কৰা বেচা-কিনাৰ বাবদ কন্ট্ৰেক্ট নোট/কনফাৰ্মেশ্যন মেমো বিচাৰিব।
- ✓ প্ৰত্যেক বন্দৱস্তিৰ বাবদ বিল বিচাৰিব।
- ✓ নিশ্চিত কৰিব যাতে কন্ট্ৰেক্ট নোটত দালালৰ নাম, বেচা-কিনাৰ সময় আৰু সংখ্যা, লেনদেনৰ মূল্য আৰু দালালি আদি স্পষ্টকৈ দেখুওৱা হয়।
- ✓ সময়ে সময়ে একাউন্টৰ বিৱৰণ বিচাৰিব।
- ✓ কেৱল মধ্যস্থতাকাৰীৰ বাণিজ্যিক নামতহে চেক/ড্ৰাফ্‌ট দিব।
- ✓ ধন দিয়াৰ ৪৮ ঘন্টাৰ ভিতৰতে পে’মেন্ট/ডেলিভাৰিৰ ৰচিদ বিচাৰিব।
- ✓ কোনো বিবাদৰ ক্ষেত্ৰত, যথোচিত সময়ৰ ভিতৰতে মধ্যস্থতাকাৰী/ষ্টক এক্সচেঞ্জ/চেবি-ৰ ওচৰত লিখিত অভিযোগ দাখিল কৰিব।
- ✓ উপ-দালালৰ সৈতে বিবাদৰ ক্ষেত্ৰত, ৬ মাহৰ ভিতৰতে বিবাদৰ বিষয়ে প্ৰধান দালালজনক জনাব।
- ✓ যিকোনো লেনদেন কৰাৰ আগতে ষ্টক এক্সচেঞ্জ/চেবি-য়ে জাৰি কৰা নিয়ম, বিনিয়ম আৰু চাৰ্কুলাৰৰ বিষয়ে জানি লব।

**অকৰণীয়**

- ✗ পঞ্জীভুক্ত নোহোৱা মধ্যস্থতাকাৰীৰ সৈতে লেনদেন নকৰিব।
- ✗ মধ্যস্থতাকাৰীক অনুমোদিত দালালিতকৈ বেছি ধন নিদিব।
- ✗ আনৰ হৈ কোনো লেনদেন নকৰিব।
- ✗ অধিক মূল্যৰ বাবে ফোনেৰে দিয়া নিৰ্দেশ পাছত লিখিতভাবে জনাবলৈ অৱহেলা নকৰিব।
- ✗ চিকিওৰিটি পে’-ইন বাধ্যবাধকতা পূৰণ কৰাৰ সময়ত টকা ডেলিভাৰি ইন্সট্ৰাকশ্যন স্লিপত চহী নকৰিব।
- ✗ অস্বাক্ষৰিত/ডুপ্লিকেট কন্ট্ৰেক্ট নোট/কনফাৰ্মেশ্যন মেমো গ্ৰহণ নকৰিব।
- ✗ কোনো অনাধিকৃত ব্যক্তিৰ দ্বাৰা স্বাক্ষৰিত কন্ট্ৰেক্ট নোট/কনফাৰ্মেশ্যন মেমো গ্ৰহণ নকৰিব।
- ✗ দালাল/উপ-দালাললৈ চিকিওৰিটিজৰ পে’মেন্ট/ডেলিভাৰিৰ ক্ষেত্ৰত পলম নকৰিব।
- ✗ প্ৰলোভনীয় বিজ্ঞাপন দেখি ভোল নাযাব।
- ✗ বজাৰৰ উৰাবাতৰিৰ দ্বাৰা চালিত নহব বা সন্দেহজনক লেনদেনৰ পৰা আঁতৰি থাকিব।


জনহিতাৰ্থে প্ৰচাৰকৰ্তা

**চিকিওৰিটিজ এণ্ড এক্সচেঞ্জ বোৰ্ড অব ইণ্ডিয়া (চেবি)**

(www.sebi.gov.in)
(http://investor.sebi.gov.in)



**বিনিয়োগকাৰী সহায়তা আৰু শিক্ষাদান কাৰ্যালয়**

এক্সচেঞ্জ প্লাজা
চি-১, ব্লক জি
বান্দ্ৰা-কুৰ্লা কমপ্লেক্স
মুম্বাই-৪০০ ০৫১



মুখবংন্ধ: তথ্যখিনি যুগুতোৱা হৈছে পাঠকক বিষয়টোৰ এটা সম্যক জ্ঞান দিয়াৰ বাবে আৰু ই হৈছে সাধাৰন ধৰনৰ। পুস্তিকাৰ বিষয়বস্তুৰ উদ্দেশ্য আইন, চাৰ্কুলাৰ, নিয়ম, নিয়ন্ত্ৰক বিধিব্যৱস্থা আৰু নিৰ্দ্দেশিকাৰ ব্যাখ্যা বা বিচাৰ কৰা নহয়।

## বিনিয়োগকাৰীসকলৰ প্ৰতি একাষাৰ
## কৰ্তৃত্ব গ্ৰহণ বিনিয়মৰ অধীনৰ খোলা অফাৰ
## সংক্ৰান্তত

### কৰণীয়

- ✓ অফাৰ গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লোৱাৰ আগেয়ে সকলো প্ৰতিযোগী অফাৰ আৰু অফাৰৰ সংশোধন সম্পৰ্কে আপুনি যে অৱগত সেই কথা সুনিশ্চিত কৰিব।
- ✓ প্ৰতিযোগী অফাৰৰ বিতং বিৱৰণৰ বাবে বা অফাৰৰ সংশোধনৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ দৈনিক কাকত/চেবি-ৰ ৱেবচাইট চাব।
- ✓ মন কৰিব যে সেই অফাৰ ‘লেটাৰ অব অফাৰ’-ত উল্লেখিত বিধিসম্মত অনুমোদনৰ, যদি কিবা থাকে, অধীন হব।
- ✓ অফাৰৰ ফলস্বৰূপে কোম্পানী তালিকাচ্যুত হবনেকি চাই লব।
- ✓ ডিমেটিৰিয়েলাইজ্‌ড ইকুইটী শ্বেয়াৰৰ ক্ষেত্ৰত নিশ্চিত কৰিব যাতে অফাৰৰ সমাপ্তি ঘটাৰ আগতে স্পেচিয়েল ডিপজিটৰি একাউন্টত ক্ৰেডিট প্ৰাপ্ত কৰা হয়।
- ✓ ডকুমেন্টৰ হেণ্ড ডেলিভাৰিৰ বাবে লেটাৰ অব অফাৰ-ত উল্লেখিত সময়/দিন সাৱধানে টুকি ৰাখিব।
- ✓ গ্ৰহণ কৰাৰ প্ৰস্তাব দিয়াৰ আগতে অফাৰ ৰিভিজনৰ বাবে শেষ তাৰিখলৈকে (অৰ্থাৎ অফাৰ সমাপ্তি তাৰিখৰ আগৰ ৭টা কৰ্মদিবস) অপেক্ষা কৰিব।
- ✓ আপুনি টেণ্ডাৰ দিয়া শ্বেয়াৰ প্ৰত্যাহাৰ কৰিব বিচৰাৰ ক্ষেত্ৰত, অফাৰৰ সমাপ্তি তাৰিখৰ আগতে ৩টা কৰ্মদিবস থকা পৰ্যন্ত যিকোনো নিৰ্দিষ্ট সংগ্ৰহ কেন্দ্ৰত লেটাৰ অব অফাৰৰ লগত থকা ফৰ্ম অব উইড্ৰৱেল জমা দিব।
- ✓ নিশ্চিত কৰিব যাতে ফৰ্ম অব এক্‌চেপটেন্স, ট্ৰেঞ্চফাৰ ডীড, ডিপজিটৰি ইন্সট্ৰাকশ্যন আৰু ফৰ্ম অব উইড্ৰৱেলত থকা স্বাক্ষৰ একে ক্ৰমত আছে আৰু কোম্পানীৰ ওচৰত দাখিল কৰাৰ দৰে একেই।
- ✓ অফাৰ ডকুমেন্ট নোপোৱাৰ ক্ষেত্ৰত, আৱশ্যকীয় বিৱৰণৰ সৈতে এখন সাধাৰণ বগা কাগজত দৰ্খাস্ত লিখি অফাৰৰ পৰা আপুনি নিজকে প্ৰত্যাহাৰ কৰিব পাৰিব।

### অকৰণীয়

- ✘ আপুনি গ্ৰহণ কৰা কথা জনাবৰ বাবে অফাৰৰ শেষ তাৰিখলৈকে অপেক্ষা কৰি নাথাকিব।
- ✘ পঠিয়াব লগা টেঞ্চফাৰ ডীড (হস্তান্তৰ দলিল)-ত ক্ৰেতা/হস্তান্তৰিত ব্যক্তিৰ বিৱৰণ পূৰ নকৰিব।
- ✘ অসম্পূৰ্ণ আবেদন প্ৰপত্ৰ/অবৈধ নথিপত্ৰ দাখিল নকৰিব।

## বিনিয়োগকাৰীসকলৰ প্ৰতি একাষাৰ
## চিকিওৰিটিজৰ পুনৰায় ক্ৰয় (বাই বেক)
## সংক্ৰান্তত

### কৰণীয়

- ✓ প্ৰস্তাৱিত পুনৰায় ক্ৰয় (বাই বেক) সম্বন্ধীয় বিশেষ সিদ্ধান্ত বিতংকৈ পঢ়ি লব আৰু তাৰপাছতহে ইয়াক বাছি লব।
- ✓ বিগত কেই মাহ মানৰ বজাৰ মূল্যৰ সৈতে বাই বেক-ত আগবঢ়োৱা মূল্য, শ্বেয়াৰে প্ৰতি উপাৰ্জন, বুক ভেল্যু আদি তুলনা কৰি চাব।
- ✓ প্ৰদত্ত মূল্য যথোচিত হয় নে নহয় ধাৰ্য কৰিব।
- ✓ শ্বেয়াৰৰ নিবিদাৰ বাবে আবেদন জনোৱা সম্বন্ধীয় নিৰ্দেশ মনোযোগ দি পঢ়ি লব আৰু মানি চলিব।
- ✓ নিশ্চিত কৰিব যাতে আপোনাৰ আবেদনপত্ৰ সঠিক সময়ৰ ভিতৰতে সংগ্ৰহ কেন্দ্ৰ পায়গৈ।
- ✓ যথোচিত সময়ৰ ভিতৰত আপুনি যদিহে লেটাৰ অব অফাৰ নাপায়, তেন্তে মাৰ্চেন্ট বেঙ্কাৰৰ সৈতে যোগাযোগ কৰিব।
- ✓ লেটাৰ অব অফাৰত প্ৰয়োজন অনুসৰি সকলো বিৱৰণ পৰিষ্কাৰকৈ উল্লেখ কৰিব।
- ✓ লেটাৰ অব অফাৰত বিচৰা সকলো নথিপত্ৰ দাখিল কৰিব।
- ✓ লেটাৰ অব অফাৰত উল্লেখ কৰা মাধ্যমৰ জৰিয়তে (ডাক/কুৰিয়াৰ/হেণ্ড ডেলিভাৰি/সাধাৰণ ডাক ইত্যাদি) আবেদনপত্ৰ পঠিয়াব।
- ✓ বান্ধি দিয়া সময়ৰ ভিতৰত নিবিদা দিয়া শ্বেয়াৰৰ বিবেচনা সম্বন্ধে কোম্পানী/মাৰ্চেন্ট বেঙ্কাৰ (এমবি)-ৰ পৰা কোনো সঁহাৰি নাপালে, মাৰ্চেন্ট বেঙ্কাৰৰ সৈতে যোগাযোগ কৰিব।
- ✓ কোম্পানীৰ বিৰুদ্ধে কোনো অভিযোগ থাকিলে, লেটাৰ অব অফাৰত উল্লেখিত কমপ্লায়েঞ্চ অফিচাৰৰ সৈতে যোগাযোগ কৰিব।
- ✓ আপুনি যদি ভাবে যে কোম্পানী অধিনিয়মৰ উপবন্ধ বা বিধি উলংঘন কৰা হৈছে তেন্তে ৰেজিষ্ট্ৰাৰ অব কোম্পানীৰ সৈতে যোগাযোগ কৰিব।
- ✓ বাই বেক-ত মানি চলা কাৰ্যপ্ৰণালীৰ বিৰুদ্ধে কোনো অভিযোগ থাকিলে মাৰ্চেন্ট বেঙ্কাৰৰ সৈতে যোগাযোগ কৰিব।

### অকৰণীয়

- ✘ কেইবাখনো আবেদনপত্ৰ দাখিল নকৰিব।
- ✘ আবেদনপত্ৰ পৰিষ্কাৰকৈ পূৰাবলৈ পাহৰি নাযাব।
- ✘ আবেদনপত্ৰ বিকৃত কৰি নেপেলাব।
- ✘ আবেদনপত্ৰত ক্ৰছ/কটা চিন নিদিব।
- ✘ ভুল ঠিকনালৈ আবেদনপত্ৰ নপঠিয়াব।
- ✘ অফাৰৰ সমাপ্তিৰ পাছত আবেদনপত্ৰ নপঠিয়াব।
- ✘ আবেদনপত্ৰত সম্পূৰ্ণ তথ্য উল্লেখ কৰিবলৈ পাহৰি নাযাব।
- ✘ আবেদনপত্ৰত চহী কৰিবলৈ পাহৰি নাযাব।
- ✘ আবেদনপত্ৰত ভুল/পৰস্পৰ-বিৰোধী তথ্য উল্লেখ নকৰিব।

## বিনিয়োগকাৰীসকলৰ প্ৰতি একাষাৰ
## চিকিওৰিটিজত লেনদেন
## সংক্ৰান্তত

### কৰণীয়

- ✓ কেৱল ষ্টক এক্সচেঞ্জৰ জৰিয়তেহে লেনদেন কৰিব।
- ✓ চেবি-ত পঞ্জীভুক্ত মধ্যস্থতাকাৰীৰ যোগেদিহে কেৱল লেনদেন কৰিব।
- ✓ একাউন্ট খোলাৰ সকলো আৱশ্যকীয় আনুষ্ঠানিকতা সঠিক ভাবে সম্পূৰ্ণ কৰিব (ক্লায়েন্ট ৰেজিষ্ট্ৰেশ্যন, ক্লায়েন্ট এগ্ৰিমেন্ট ইত্যাদি)।
- ✓ ‘‘ন’ ইয়ৰ ক্লায়েন্ট এগ্ৰিমেন্ট’’ বিচাৰিব আৰু চহী কৰিব।
- ✓ লেনদেন কৰিবলৈ লোৱাৰ আগতে চিকিওৰিটিজ/ডিৰাইভেটিভ্‌চত কৰা বিনিয়োগৰ সৈতে জড়িত বিপদাশঙ্কাসমূহ পঢ়ি সেইবিলাক সঠিক ভাবে বুজি লব।
- ✓ বিনিয়োগৰ সিদ্ধান্ত লোৱাৰ আগতে বিনিয়োগৰ বিপদাশঙ্কা-ফিৰৎলাভ অনুপাত নিৰ্ধাৰণ কৰিব আৰু নগদসুলভতা, সুৰক্ষা আদি দিশসমূহ চালি-জাৰি চাব।
- ✓ লেনদেন কৰাৰ আগতে আপোনাৰ দালালক আৱশ্যকীয় সকলো প্ৰশ্ন সুধিব আৰু সকলো সন্দেহ দূৰ কৰি লব।
- ✓ ৰাজহুৱাভাবে প্ৰাপ্ত সকলো তথ্য চালি-জাৰি চোৱাৰ পাছত গভীৰ বিবেচনা আৰু মূল কথাবিলাকৰ ভিত্তিত বিনিয়োগ কৰিব।
- ✓ আপোনাৰ দালাল/উপ-দালাল/ডিপজিটৰি অংশগ্ৰহণকাৰীক স্পষ্ট আৰু দ্ব্যৰ্থহীন নিৰ্দেশ দিব।
- ✓ আপোনাৰ লেনদেনৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰিব।
- ✓ আপোনাৰ লেনদেনৰ বাবে কন্ট্ৰেক্ট নোট বিচাৰিব।
- ✓ কন্ট্ৰেক্ট নোট পোৱাৰ লগে লগে সকলো বিৱৰণ সঁচা হয়নে নহয় চাব।
- ✓ এক্সচেঞ্জ ৱেবচাইটত প্ৰাপ্ত বিৱৰণৰ সৈতে আপোনাৰ লেনদেনৰ বিৱৰণৰ শুদ্ধতা পৰীক্ষা কৰি চাব।
- ✓ আপোনাৰ ডিপজিটৰি অংশগ্ৰহণকাৰীৰ পৰা আপুনি প্ৰাপ্ত কৰা লেনদেন আৰু হ’ল্ডিং বিৱৰণ পুঙ্খানুপুঙ্খভাবে পৰীক্ষা কৰি চাব।
- ✓ আপোনাৰ বিনিয়োগ সংক্ৰান্ত সকলো নথিপত্ৰৰে প্ৰতিলিপি ৰাখিব।
- ✓ ডিপি-য়ে জাৰি কৰা ডেলিভাৰি ইন্সট্ৰাকশ্যন স্লিপ্‌চ (ডিআইএচ) বুক সাৱধানে চম্ভালি ৰাখিব।
- ✓ ডিআইএচ নম্বৰ পূৰ্ব-মুদ্ৰিত হৈ থকাত আৰু আপোনাৰ একাউন্ট নম্বৰ (ক্লায়েন্ট আইডি)-ত আগতেই ষ্টাম্প মাৰি ৰখাত জোৰ দিব।
- ✓ আপুনি যদিহে সঘনে লেনদেন নকৰে, তেন্তে আপোনাৰ ডিমেট একাউন্টৰ বাবে আগবঢ়োৱা ফ্ৰিজিং সুবিধা কামত খটুৱাব।
- ✓ নিৰ্ধাৰিত সময়ৰ ভিতৰত আদায় দিবলগীয়া মাৰ্জিন আদায় দিব।
- ✓ বিক্ৰীৰ ক্ষেত্ৰত নিৰ্ধাৰিত সময়ৰ ভিতৰত শ্বেয়াৰ হস্তান্তৰণ কৰিব আৰু কিনাৰ ক্ষেত্ৰত নিৰ্ধাৰিত সময়ৰ ভিতৰত পইচা দিব।
- ✓ সাভাৰণ সভাত নিজেই বা প্ৰক্সিৰ জৰিয়তে অংশগ্ৰহণ কৰিব আৰু ভোট দিব।
- ✓ আপোনাৰ অধিকাৰ আৰু দায়িত্বসমূহ জানি লব।
- ✓ কোনো অভিযোগ থাকিলে তাৰ সমাধানৰ অৰ্থে সময়মতে সঠিক কৰ্তৃপক্ষৰ ওচৰ চাপিব।

### অকৰণীয়

- ✘ চিকিওৰিটিজত অফ-মাৰ্কেট লেনদেন নকৰিব।
- ✘ পঞ্জীভুক্ত নোহোৱা মধ্যস্থতাকাৰীৰ সৈতে লেনদেন নকৰিব।
- ✘ অবাস্তৱ ফিৰৎলাভৰ প্ৰতিশ্ৰুতিৰ চিকাৰ হৈ নপৰিব।
- ✘ জনশ্ৰুতি আৰু উৰা-বাতৰিৰ ভিত্তিত বিনিয়োগ নকৰিব; বিনিয়োগৰ আগেয়ে সঁচা-মিছা প্ৰমাণ কৰি চাব।
- ✘ বিনিয়োগবিধৰ সৈতে জড়িত বিপদাশঙ্কাৰ প্ৰতি চকু দিবলৈ পাহৰি নাযাব।
- ✘ বজাৰত চলি থকা গুজবৰ দ্বাৰা পথভ্ৰষ্ট নহব।
- ✘ ব্যৱসায়ৰ পৰিমাণ বা মূল্যৰ হঠাৎ বৃদ্ধিৰ ভিত্তিত বা বিশ্বাসযোগ্যতাহীন কিন্তু দেখাত লোভনীয়কৈ বৰ্ণোৱা প্ৰবন্ধ/কাহিনীৰ ভিত্তিত মূলতঃ অনিৰ্ভৰযোগ্য কোম্পানীৰ শ্বেয়াৰ (পেনি ষ্টক) কিনিবলৈ আনৰ দ্বাৰা প্ৰভাবিত নহব।
- ✘ আনক বা বজাৰৰ গতিবিধিক অনুসৰণ নকৰিব, ই আপোনাৰ বিপৰীতে যাব পাৰে।
- ✘ তথাকথিত ‘দুৰ্দান্ত খবৰ’-ৰ দ্বাৰা প্ৰলোভিত নহব।
- ✘ বজাৰ নিয়ন্ত্ৰিত কৰিবলৈ চেষ্টা নকৰিব।
- ✘ আপোনাৰ সন্দেহ/অভিযোগ দূৰীকৰণৰ বাবে সঠিক কৰ্তৃপক্ষৰ কাষ চাপিবলৈ সঙ্কোচ নকৰিব।
- ✘ অসাৱধানভাবে অ’ত-ত’ত অথবা কাৰোবাৰ সৈতে আপোনাৰ ডিমেট একাউন্টৰ খালী ডেলিভাৰি ইন্সট্ৰাকশ্যন স্লিপ চহী কৰি পেলাই নথব।
- ✘ সময় বচাবলৈ খালী ডেলিভাৰি ইন্সট্ৰাকশ্যন স্লিপ (ডিআইএচ)-ত চহী কৰি নথব আৰু সেইবিলাক ডিপজিটৰি পাৰ্টিচিপেন্ট (ডিপি) বা দালালৰ ওচৰত নাৰাখিব। মনত ৰাখিব এনে অসাৱধানতাৰ ফলত আপোনাৰ বিপদ ঘটিব পাৰে।

## বিনিয়োগকাৰীসকলৰ প্ৰতি একাষাৰ
## মিউচুৱেল ফাণ্ডত বিনিয়োগ
## সংক্ৰান্তত

### কৰণীয়

- ✓ বিনিয়োগ কৰাৰ আগেয়ে অফাৰ ডকুমেন্ট মনোযোগ দি পঢ়ি লব।
- ✓ মন কৰিব যে মিউচুৱেল ফাণ্ডত বিনিয়োগ কৰা বিপদজনকো হব পাৰে।
- ✓ আবেদন প্ৰপত্ৰত আপোনাৰ বেঙ্ক একাউন্ট নম্বৰ উল্লেখ কৰিব।
- ✓ আপোনাৰ বিনিয়োগৰ উদ্দেশ্য আৰু বিপদাশঙ্কা গ্ৰহণ ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰি কোনো যোজনাত বিনিয়োগ কৰিব।
- ✓ মন কৰিব যে যোজনা এখনৰ নেট এছেট ভেল্যু বজাৰৰ অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি পৰিৱৰ্তনৰ অধীন।
- ✓ বিনিয়োগৰ আগেয়ে অফাৰ ডকুমেন্ট/কী ইনফৰ্মেশ্যন মেমোৰেণ্ডামৰ কপি এটা বিচাৰিব।
- ✓ মন কৰিব যে যোজনা এখনৰ অতীতৰ কাৰ্যনিপুণতা ভৱিষ্যৎ কাৰ্যনিপুণতাৰ সূচক নহয়।
- ✓ যোজনা এখনৰ অতীতৰ কাৰ্যনিপুণতা ভৱিষ্যতে একেদৰে থাকিবও পাৰে, নেথাকিবও পাৰে।
- ✓ আপুনি য’ত বিনিয়োগ কৰে সেই যোজনাখনৰ নেট এছেট ভেল্যুৰ প্ৰতি নিয়মীয়া ভিত্তিত চকু দি থাকিব।
- ✓ আপুনি বিনিয়োগ কৰা ধনৰ বাবে যাতে একাউন্টৰ বিৱৰণ লাভ কৰে তাক নিশ্চিত কৰিব।
- ✓ যোজনাখনৰ কাৰ্যনিপুণতা সম্বন্ধে নিয়মীয়া ভিত্তিত গম লৈ থাকিব।

### অকৰণীয়

- ✘ কেৱল কোনোবাই আপোনাক কমিশ্যন বা আন কোনো ইনচেনটিভ, উপহাৰ আদি দিয়াৰ বাবেই যোজনা এখনত বিনিয়োগ নকৰিব।
- ✘ যোজনাখনৰ/মিউচুৱেল ফাণ্ডৰ নামটোৰ দ্বাৰা প্ৰলোভিত নহব।
- ✘ অবাস্তৱ ফিৰৎলাভৰ প্ৰতিশ্ৰুতিৰ চিকাৰ হৈ নপৰিব।
- ✘ বিনিয়োগৰ সৈতে জড়িত বিপদাশঙ্কাৰ প্ৰতি মন দিবলৈ পাহৰি নাযাব।
- ✘ কোনো সমস্যাৰ ক্ষেত্ৰত সংশ্লিষ্ট ব্যক্তি আৰু তাৰপাছত উপযুক্ত কৰ্তৃপক্ষৰ ওচৰ চাপিবলৈ দ্বিধাবোধ নকৰিব।
- ✘ এচোচিয়েশ্যন অব মিউচুৱেল ফাণ্ড্‌চ ইন ইণ্ডিয়া (এএমএফআই)-ৰ ওচৰত পঞ্জীভুক্ত হৈ নথকা কোনো এজেন্ট/দালাল/ডীলাৰৰ সৈতে লেনদেন নকৰিব।

Assamese

# চিকিওৰিটিজ এণ্ড এক্সচেঞ্জ বোৰ্ড অব ইণ্ডিয়া (চেবি)

## বিনিয়োগকাৰীসকলৰ প্ৰতি একাষাৰ
এই সংক্ৰান্তত

চিকিওৰিটিজৰ ইচ্যু

ডিৰাইভেটিভ্‌চত বিনিয়োগ

কলেক্টিভ ইনভেষ্টমেন্ট স্কীম (চিআইএচ)

দালাল আৰু উপ-দালালৰ সৈতে লেনদেন

মিউচুৱেল ফাণ্ডত বিনিয়োগ

চিকিওৰিটিজৰ পুনৰায় ক্ৰয় (বাই বেক)

কৰ্তৃত্ব গ্ৰহণ বিনিয়মৰ অধীনৰ খোলা অফাৰ

চিকিওৰিটিজত লেনদেন